# REGIONAL News Unit

# Akashvani :: Guwahati

0000000000

Date : 19-07-2024

Time : 18-45 Hrs.

*REGIONAL EVENING Bulletin*

::::::::::::::::::::::::::::::::::::::

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আজি আনুষ্ঠানিকভাৱে অমৃত বৃক্ষ আন্দোলন টু পইণ্ট জিৰো এপ মুকলি। এই কাৰ্যসূচীৰ জৰিয়তে ৩ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ।

২। চলিত বছৰৰ ছেপ্তেম্বৰত ৰাজ্যৰ ৫ টা সমষ্টিৰ উপ নিৰ্বাচন হোৱাৰ সম্ভাৱনা আছে বুলি ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ প্ৰকাশ।

৩। চিৰাং জিলাৰ চিদলি-কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো বিদ্যালয় মহাকাশ পৰ্যৱেক্ষণ কেন্দ্ৰ মুকলি।

*আৰু*

৪। মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলত ইউ এ ইৰ বিৰুদ্ধে নেপালৰ ছয় উইকেটত জয়লাভ। আনখন খেলত ভাৰত আৰু পাকিস্তান মুখামুখি।

0000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আনুষ্ঠানিকভাৱে অমৃত বৃক্ষ আন্দোলন টু পইণ্ট জিৰো এপ মুকলি কৰে। উল্লেখযোগ্য যে অমৃত বৃক্ষ আন্দোলনৰ প্ৰথম সংস্কৰণৰ সফলতাৰ পাছত অহা ১ আগষ্টৰ পৰা ১০ আগষ্টলৈ অমৃত বৃক্ষ টু পইণ্ট জিৰোৰ জৰিয়তে সমগ্ৰ ৰাজ্যতে ৩ কোটি গছপুলি ৰোপণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে ৰাজ্য চৰকাৰে নিজা নাৰ্ছাৰীৰ পৰা ৪ কোটিৰো অধিক গছপুলি ব্যৱহাৰ কৰিব। যাৰ ভিতৰত ৩ কোটি গছপুলি ৰোপণৰ বাবে আৰু ১ কোটি গছপুলি প্ৰতিষ্ঠাপনৰ বাবে সংৰক্ষিত ৰখা হ'ব গছপুলি বিতৰণৰ সুবিধাৰ বাবে সমগ্ৰ ৰাজ্যতে ৪ হাজাৰ বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। তদুপৰি চৰকাৰে সমাগত বছৰবোৰত ১০ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

0000

চলিত বছৰৰ চেপ্তেম্বৰ মাহত ৰাজ্যৰ ৫ টা সমষ্টিৰ উপ নিৰ্বাচন হোৱাৰ সম্ভাৱনা আছে। আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষযা অনুৰাগ গোৱেলে কয় যে, বৰ্তমানৰ অসম বিধানসভা ২০২১ চন অৰ্থাৎ সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাৰ আগেয়ে গঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত পূৰ্বে বাহাল থকা বিধানসভা সমষ্টিসমূহতে উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ লগতে কয় যে, এই উপ নিৰ্বাচনত ২০২৩ চনৰ পৰা নতুনকৈ নিৰ্ধাৰণ হোৱা বিধানসভাৰ সমষ্টিসমূহৰৰ সীমা প্ৰযোজ্য নহ'ব। সেয়ে এই ৫ টা সমষ্টিৰ বাবে ২০২১ চনত উপলব্ধ ভোটাৰ তালিকাসমূহ উপ নিৰ্বাচনৰ সময়লৈকে নৱীকৰণ কৰি ব্যৱহাৰ কৰা হ'ব। উল্লেখযোগ্য যে চলিত বছৰত অনুষ্ঠিত লোকসভা নিৰ্বাচনত ৰাজ্যৰ ধলাই, চিদলী, বঙাইগাওঁ, বিহালী

আৰু চামগুৰি সমষ্টিৰ বিধায়কসকল সাংসদ হিচাপে নিৰ্বাচিত হোৱাৰ পাছত সেই সমষ্টিকেইটাৰ আসনকেইখন খালী হৈ ৰয়। সংবাদ মেলত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে জনোৱা মতে, খচৰা ভোটাৰ তালিকাসমূহ ৩০ জুলাইত প্ৰকাশ কৰা হ'ব। এই সম্পৰ্কত কিবা দাবী, আপত্তি থাকিলে সেয়া দাখিল কৰাৰ সময় ৩০ জুলাইৰ পৰা ১০ আগষ্টলৈ ধাৰ্য্য কৰা হৈছে। আনহাতে, চূড়ান্ত ভোটাৰ তালিকা ২০ আগষ্টত প্ৰকাশ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০

উত্তৰ প্ৰদেশৰ গোণ্ডাত কালি হোৱা ৰে'ল দুৰ্ঘটনাত নিহত লোকৰ সংখ্যা ৪ লৈ বৃদ্ধি পাইছে। দুৰ্ঘটনাত আহত এজন লোকৰ আজি চিকিৎসালয়ত মৃত্যু ঘটে আৰু ৰে'ল পথৰ পৰা বাগৰি পৰা ডবাৰ পৰা অন্য এটা শদেহ উদ্ধাৰ হয়। অন্য দুজন আহতৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। ৰে'ল বিভাগৰ পৰা লাভ কৰা তথ্য অনুসৰি কালি বিয়লি ডিব্ৰুগড় অভিমুখী চণ্ডীগড়-ডিব্ৰুগড় এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ ২১টা ডবা লাইনৰ পৰা বাগৰি পৰিছিল আৰু ৩০জন লোক আহত হৈছিল। লক্ষ্ণৌ-গুৱাহাটী মূল ৰে'লপথেৰে ৰে'ল চলাচল পুনৰ আৰম্ভ কৰাৰ বাবে মেৰামতিৰ কাম পূৰ্ণ গতিত চলি আছে। ৰে'ল পথছোৱাৰে চলাচল কৰা কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰাপথ সলনি কৰা হৈছে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ মাকুম পৌৰ সভাৰ পদেন সদস্য হিচাপে দায়িত্ব গ্ৰহণ কৰে। দায়িত্ব গ্ৰহণৰ পূৰ্বে পৌৰসভাখনৰ কাৰ্যবাহী বিষয়া ৰক্তিম গগৈয়ে শ্ৰীসোণোৱালক শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানত সভানেত্ৰী বিপাশা বৰা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক সুৰেণ ফুকন, হাউচিং বোৰ্ডৰ অধ্যক্ষ পুলক গোহাই আদি উপস্থিত আছিল। ইফালে, তেওঁ ডিগবৈ পৌৰসভাৰো পদেন সদস্য হিচাপে দায়িত্ব গ্ৰহণ কৰে। দায়িত্ব গ্ৰহণৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চহৰখনক আধুনিক ৰূপত গঢ় দিয়াৰ বাবে কাম কৰি যাব লাগিব বুলি উল্লেখ কৰে। তেওঁ প্ৰধানমন্ত্ৰী স্বনিয়োজন আঁচনিৰ কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ডিগবৈ পৌৰসভাই দেশৰ ভিতৰতে স্থান লাভ কৰিবলৈ সক্ষম হোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। ইফালে, কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তিনিচুকীয়াৰ টিডিএ সাংস্কৃতিক প্ৰকল্পত খেলো ইণ্ডিয়াৰ এটা কাৰ্যসুচীত অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দিনজোৰা কাৰ্যসূচীৰে তিনিচুকীয়া জিলা ভ্ৰমণ কৰে। মন্ত্ৰীগৰাকী তিনিচুকীয়াৰ গেলা পুখুৰীৰ বাইপাছত থকা কনভেনছন চেণ্টাৰত উপস্থিত হৈ তাৰ পিছত তেওঁ মাৰ্ঘেৰিটা ভ্ৰমণ কৰে। ডিগবৈ আৰু মাকুম ভ্ৰমণ কৰাৰ পাছত শ্ৰী সোণোৱালে খেল' ইণ্ডিয়াৰ এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে তিনিচুকীয়াৰ টি ডি এ সাংস্কৃতিক প্ৰকল্পত উপস্থিত হয়।

০০০০

চিৰাং জিলাৰ চিদলি-কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি এটা মহাকাশ পৰ্যৱেক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰাৰ লক্ষ্যৰে বি টি চিৰ শিক্ষা বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা এই কেন্দ্ৰটো বড়ো সমাজৰ হকে কাম কৰি অহা সাংবাদিক-সমাজকৰ্মী প্ৰয়াত চিনো বসুমতাৰীৰ সোঁৱৰণত নামকৰণ কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো বিদ্যালয় মহাকাশ পৰ্যৱেক্ষণ কেন্দ্ৰ হিচাপে চিহ্নিত হোৱা এই কেন্দ্ৰটো বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে উদ্বোধন কৰে।

০০০০

সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে চৰকাৰে পৰহিলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত সদনত দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

০০০০

জাপান ইণ্টাৰনেচনেল কো-অ'পাৰেচন এজেন্সি চমুকৈ জাইকাৰ এটা প্ৰতিনিধি দলে আজি বৰপেটা জিলাৰ কলগাচিয়া ৰাজহচক্ৰৰ কৰাৰকুৰত বেকী নদীৰ খহনীয়া পৰিদৰ্শন কৰে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তত্বাৱধানত আৰু জাইকাৰ প্ৰতিনিধি বিশেষজ্ঞ কুৱানো টাকাশ্বিৰ নেতৃত্বত অঞ্চলটোত উপস্থিত হোৱা দলটোৱে খহনীয়া প্ৰতিৰোধৰ বাবে ৰূপায়ণ কৰি থকা ব্যৱস্থাও পৰ্যৱেক্ষণ কৰে। উল্লেখযোগ্য যে বেকী নদীৰ ভয়াবহ খহনীয়াই বঙাইগাঁও জিলাৰ টুলুঙীয়াৰ পৰা কামৰূপৰ আমিনগাঁও সংযোগী ঘাইপথৰ ক্ষতিসাধন কৰাৰ লগতে কৰাৰকুৰত পথটোৰ মাজ অংশলৈকে খহনীয়া হোৱা পৰিলক্ষিত হৈছে।

০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী সম্পূৰ্ণতা অভিযানৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে স্বাস্থ্য খণ্ডত সজাগতা সৃষ্টিৰ বিশেষ ব্যৱস্থা কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধ পান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসুতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১5 চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০

ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগৰ অধ্যক্ষ নিৰুপম চাকমাৰ নেতৃত্বত অহা বিশেষ সজাতি দলে আজি ডিফুত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ লগতে জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনত অনুসূচীত জনজাতিৰ কল্যাণৰ বাবে ৰূপায়ণ কৰা বিভিন্ন আঁচনিসমূহৰ

পৰ্যালোচনা কৰা হয়। জিলাখনলৈ প্ৰথমবাৰৰ বাবে অহা আয়োগৰ অধ্যক্ষগৰাকীয়ে শিক্ষা, সমাজ কল্যাণ, কৃষি আদি বিভাগৰ পৰা অনুসূচীত জনজাতিৰ লোকৰ বাবে জলপানী, চাকৰি সংৰক্ষণ আদি বিষয়সমূহৰ পৰ্যালোচনা কৰে। অধ্যক্ষগৰাকীয়ে জিলাখনত বসবাস কৰা জনজাতি লোকসকলে প্ৰাপ্য অধিকাৰসমূহ সঠিকভাৱে লাভ কৰিছেনে নাই সেই সম্পৰ্কতো বুজ লয়।

০০০০

কৰিমগঞ্জৰ জিলা আয়ুক্ত কাৰ্যালয়ত আজি অসম বিধানসভাৰ ব্যয় সমিতিৰ এটা প্ৰতিনিধি দলে জিলা আয়ুক্ত মৃদুল যাদৱকে ধৰি বিভাগসমূহৰ মুৰব্বীসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত বিধানসভাৰ প্ৰতিনিধি দলটোক জিলাখনৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে অৱগত কৰোৱা হয়।

০০০০

মৰিগাঁও জিলাৰ সদৰত সমাগত ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্তৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকলৰ লগতে অৰ্ধসামৰিক বাহিনীৰ প্ৰতিনিধি বেংক, সামাজিক দল-সংগঠন আৰু একাংশ স্থানীয় ব্যক্তি এই বৈঠকত উপস্থিত থাকে। স্বাধীনতা দিৱস সুচাৰুৰূপে উদযাপন কৰাৰ উদ্দেশ্যে জিলাখনৰ বিভিন্ন বিভাগক আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰা হয়।

০০০০

সংসদৰ বাজেট অধিৱেশনৰ পূৰ্বে চৰকাৰে পৰহিলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিৱেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত সদনত দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৮ জুলাইত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাতৰ পৰৱৰ্তী খণ্ডৰ বাবে জনসাধাৰণৰ পৰা ভালেসংখ্যক পৰামৰ্শ লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে তেওঁ মন কী বাত অনুষ্ঠানৰ আসন্ন খণ্ডৰ বাবে যথেষ্ট পৰামৰ্শ লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে সমাজৰ সংস্কাৰৰ লক্ষ্যৰে ভালেসংখ্যক যুৱক-যুৱতীয়ে সমূহীয়া প্ৰচেষ্টাত আলোকপাত কৰা দেখা পাই তেওঁ সুখী হৈছে।
শ্ৰীমোদীয়ে জনসাধাৰণক মাই গভ্, নমো এপযোগে দিহা পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনাইছে। তেওঁ লগতে ১৮০০১১৭৮০০ নম্বৰত ফোন কৰি বাৰ্তা বাণীবদ্ধ কৰিবলৈও জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০

বাংলাদেশত সংৰক্ষণ বিৰোধী প্ৰতিবাদত নিহত লোকৰ সংখ্যা ৩৯লৈ বৃদ্ধি পাইছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি চৰকাৰী চাকৰিৰ বাবে সংৰক্ষণ ব্যৱস্থাৰ সংস্কাৰৰ দাবী জনাই বিদ্যাৰ্থীসকলে সাব্যস্ত কৰা প্ৰতিবাদে দেশখনত হিংসাত্মক ৰূপ ধাৰণ কৰিছে। দেশখনত চলি থকা অশান্ত পৰিস্থিতিৰ বাবে টেলিভিছন নিউজ চেনেলৰ সম্প্ৰচাৰ বন্ধ কৰা হৈছে, দূৰসংযোগ ব্যৱস্থা ব্যাহত হৈছে আৰু কেইবাখনো বাতৰি কাকতৰ ৱেব

ছাইট আৰু ছ'চিয়েল মিডিয়া একাউণ্ট নিস্ক্ৰিক্ৰয় কৰা হৈছে। প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত মোবাইল ইণ্টাৰনেট সেৱাও সাময়িকভাৱে বন্ধ ৰখা হৈছে। দেশখনৰ আইন মন্ত্ৰী অনিছুল হকে কৈছে যে চৰকাৰ প্ৰতিবাদকাৰীসকলৰ সৈতে আলোচনা কৰিবলৈ ইচ্ছুক। ঢাকাত থকা ভাৰতীয় উচ্চায়োগে ইয়াৰ নাগৰিকসকলক স্থানীয় ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ আৰু প্ৰয়োজন নহ'লে বাসগৃহৰ পৰা বাহিৰলৈ ওলাই নাহিবলৈ পৰামৰ্শ আগবঢ়াইছে। বিদেশ মন্ত্ৰ্যালয়ে সামাজিক মাধ্যমযোগে বাংলাদেশত বাসকৰা ভাৰতীয় নাগৰিকসকলক ঢাকাত থকা উচ্চায়োগে জাৰি কৰা পৰামৰ্শাৱলী মানি চলিবলৈ অনুৰোধ জনাইছে।

০০০০

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগতা আজি শ্ৰীলংকাৰ ডাম্বুলাত আৰম্ভ হৈছে। প্ৰতিযোগিতাৰ আটাইকেইখন খেল ৰনগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলোৱা হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত নেপালে ইউ এ ইএক ছয় উইকেটত পৰাস্ত কৰে। যোৱাবাৰৰ চেম্পিয়ন ভাৰত গ্ৰুপ এৰ এখন খেলত খন্তেক সময় পাছতে পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত ভাৰতক পাকিস্তান, নেপাল আৰু ইউ এ ইৰ সৈতে গ্ৰুপ 'এ'ত স্থান দিয়া হৈছে। আনহাতে আয়োজক দেশ শ্ৰীলংকা, বাংলাদেশ, থাইলেণ্ড আৰু মালয়েছিয়াক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষৰ দল দুটাৰ মাজত ২৬ জুলাইত ছেমি ফাইনেল অনুষ্ঠিত হ'ব। আনহাতে, ফাইনেল খেলখন ২৮ জুলাইত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰত ২০১৮ চনৰ বাহিৰে প্ৰতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে।

০০০০

সমাপ্ত